Total No. of Printed Pages—4

## 4 SEM TDC ASM (CBCS) MIL

## 2024

( May/June )

ASSAMESE

( Modern Indian Language )

Paper : MIL–2

**( Selection from Assamese Literature )**

*Full Marks* : 80
*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখাঁ : ১×৭=৭

(ক) 'প্ৰহ্লাদ-চৰিত' গ্ৰন্থখন কাৰ ৰচনা ?

(খ) প্ৰথম অসমীয়া চনেটৰ ৰচক কোন ?

(গ) 'অৰুণোদই' কোন চনত প্ৰথম প্ৰকাশ হৈছিল ?

(ঘ) বিল্বমংগলৰ কোনখন কাব্যৰ দ্বাৰা মাধৱদেৱ প্ৰভাৱান্বিত হৈছিল ?

(ঙ) 'অসমীয়া ল'ৰাৰ মিত্ৰ' কাৰ ৰচনা ?

(চ) ভবেন্দ্ৰনাথ শইকীয়াৰ এখনি গল্পপুথিৰ নাম লিখাঁ।

(ছ) 'বিজ্ঞান আৰু সভ্যতা' পাঠটিৰ লেখকৰ নাম কি ?

২। (ক) মাধৱদেৱে 'গুৰুভটিমা'ৰ মাজত শঙ্কৰদেৱৰ গুণানুকীৰ্তন কেনেদৰে কৰিছে তাৰ এটি বিৰৰণ দিয়াঁ। ১০

*অথবা*

(খ) কবি পৰিচয়সহ 'প্ৰিয়তমাৰ চিঠি' কবিতাটিৰ এটি বিশ্লেষণ আগবঢ়োৱাঁ। ৪+৬=১০

৩। ব্যাখ্যা কৰাঁ (যি কোনো দুছোৱা) : ৫×২=১০

(ক) প্ৰহ্লাদ বদতি বাপ নিন্দো তযু বাণী।
তুমি কিছো নাজানাহা আমি আছো জানি॥
মঞিযে দেখোহো হৰি আছন্ত সবাতে।
মলচখু নিমিত্তেসে নেদেখা সাক্ষাতে॥

(খ) কত কাব্য-গাথা, অতীতৰ স্মৃতি,
উদাস প্ৰেমৰ মূৰ্ত্ত বিকাশ ;
বিজড়িত তোৰ কোমল বুকুত
কত বিৰহীৰ হা-হুতাশ !

(গ) এতিয়াও সপোনত সাৰ পাই উঠো :
আফ্ৰিকা নে তেলেংগানা ক'ৰবাত
সেই ঘোঁৰা যেন হিল-দ'ল ভাঙি ল'ৰিছে
আৰু তোমাৰ চাবুকত চমকি উঠিছে নিৰ্জ্জন ৰাতিৰ ক্লীৰতা !





৪। (ক) ঝুমুৰাৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰি তোমাৰ পাঠ্য ঝুমুৰাখনিৰ বিষয়বস্তু সম্পৰ্কে এটি আলোচনা আগবঢ়োৱাঁ। ৪+৮=১২

*অথবা*

(খ) একাংকিকাৰ লক্ষণবোৰ উল্লেখ কৰি 'এটা চোলাৰ কাহিনী' নাটকত এই লক্ষণবোৰ কিদৰে প্ৰকাশ পাইছে, আলোচনা কৰাঁ। ৪+৮=১২

৫। (ক) "হে অসম দেস নিবাসি লোকসকল, তোমালোকে অলপ গমি চালেই জানিবা জে তোমালোকৰ দুৰ অৱস্থাৰ হেতু তোমালোকেই।" এই কথাষাৰৰ আঁত ধৰি অসমীয়া মানুহৰ দুৰৱস্থাৰ কাৰণসমূহ পাঠ্যৰ আধাৰত জুকিয়াই লিখাঁ। ১২

*অথবা*

(খ) "সভ্যতাৰ বিকাশত বিজ্ঞানৰ অৱদানৰ দুটা মুখ্য ধাৰা সহজে চকুত পৰে।" এই ধাৰা দুটা কি কি আৰু এইবোৰে কিদৰে সভ্যতাৰ অগ্ৰগতিত বিশেষ ভূমিকা গ্ৰহণ কৰিছে, পাঠ্যৰ আধাৰত আলোচনা কৰাঁ। ২+১০=১২

৬। (ক) 'এন্দুৰ' গল্পটোৰ মাজত ভবেন্দ্ৰনাথ শইকীয়াৰ গল্পৰ বৈশিষ্ট্যসমূহ কেনেদৰে পৰিস্ফুট হৈছে, আলোচনা কৰাঁ। ১২

*অথবা*

(খ) 'উদং বাকচ' গল্পটিৰ এটি সামগ্ৰিক বিশ্লেষণ আগবঢ়োৱাঁ। ১২

৭। (ক) ‘কপিলীপৰীয়া সাধু’ উপন্যাসৰ চৰিত্ৰাঙ্কনৰ বিষয়ে এটি আলচ যুগুত কৰাঁ। ১২

অথবা

(খ) আঞ্চলিক উপন্যাসৰ বৈশিষ্ট্যবোৰ ‘কপিলীপৰীয়া সাধু’ উপন্যাসত কেনেদৰে প্ৰকাশ পাইছে, বিচাৰ কৰাঁ।

৮। চমু টোকা লিখাঁ (যি কোনো এটা) : ৫

(ক) ‘পিম্পৰা গুচোৱা’ৰ যশোদা চৰিত্ৰ

(খ) আনন্দৰাম ঢেকিয়াল ফুকন

(গ) ‘এটা চোলাৰ কাহিনী’ৰ তৰুণী চৰিত্ৰ

★★★